**2 0 1 9**

ELECTIVE ASSAMESE

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। উত্তৰ লিখা : ১×৭=৭

(ক) অসমীয়া আখ্যানমূলক গীতক প্ৰধানকৈ কেইটা ভাগত ভগোৱা হয় ?

(খ) ধাইনামক আৰু কি নামেৰে জনা যায় ?

(গ) ৰুদ্ৰ কন্দলীয়ে কোনজন ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰিছিল ?

(ঘ) 'হৰগৌৰী সংবাদ' কাৰ ৰচনা ?

(ঙ) বৰগীতৰ বিষয়বস্তুক কেইটা ভাগত ভগাব পাৰি ?

(চ) বৈষ্ণৱ আন্দোলনৰ প্ৰভাবমুক্ত হৈ বৈষ্ণৱ যুগত কাব্যচৰ্চা কৰা যি কোনো এগৰাকী কবিৰ নাম উল্লেখ কৰা।

(ছ) অসমীয়া ভাষা কি লিপিত লিখা হয় ?

২। চমু উত্তৰ দিয়া : ২×৪=৮

(ক) বিহুগীতৰ যি কোনো দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(খ) মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱে মাধৱ কন্দলিৰ ৰামায়ণত কোন দুটা কাণ্ড সংযোগ কৰিছিল?

(গ) ভটিমা কি? ই কেইপ্ৰকাৰৰ?

(ঘ) অসমীয়া লিপিৰ ক্ৰমবিৱৰ্তনৰ যুগ কেইটা? উমাচলৰ লিপি কোন যুগৰ ভিতৰুৱা?

৩। চমু টোকা লিখা (যি কোনো তিনিটা) : ৫×৩=১৫

(ক) অসমীয়া সাধুকথা

(খ) প্ৰাক্‌শংকৰী যুগৰ সাহিত্যৰ বৈশিষ্ট্য

(গ) অংকীয়া নাট

(ঘ) পীতাম্বৰ কবিৰ ঊষা-পৰিণয়

(ঙ) মধ্যযুগীয় অসমীয়া লিপি

৪। (ক) অসমীয়া অনুষ্ঠানমূলক লোকগীত সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা। ১০

*অথবা*

(খ) প্ৰাক্‌শংকৰী যুগৰ যুদ্ধবিষয়ক কাব্যসমূহৰ চমু পৰিচয় দিয়া।

৫। (ক) শংকৰদেৱ আৰু মাধৱদেৱৰ বৰগীতৰ তুলনাত্মক আলোচনা দাঙি ধৰা। ১০

*অথবা*

(খ) অনন্ত কন্দলীৰ সাহিত্যিক কৃতি সম্পৰ্কে কি জানা, লিখা।

৬। (ক) পাঁচালী সাহিত্য বুলিলে কি বুজা? এইবিধ সাহিত্যৰ বৈশিষ্ট্যবোৰ কেনেধৰণৰ? ১০

*অথবা*

(খ) বিভিন্ন যুগত প্ৰাপ্ত অসমীয়া লিপিৰ নিদৰ্শনসমূহৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

★★★